**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

:::::::::::::::::::::::::::::::::::::::::::

১। ভাৰত, জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সীমান্তৰে চলোৱা সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদক দ্বৈৰ্থহীনভাৱে গৰিহণা দিছে।

২। চৰকাৰে দুগ্ধ উৎপাদন খণ্ডত বৃত্তাকাৰ অৰ্থনীতিৰ আৰ্হি ৰূপায়ণ কৰি অহা পাঁচ বছৰত পশুপালকসকলৰ আয় ২০ শতাংশ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৩। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে ইণ্ডিগ' বিমান সংস্থাক তৎকালীনভাৱে যাত্ৰীসকলৰ বকেয়া ধন ওভতাই দিবলৈ নিৰ্দেশ দিছে।

৪। সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ ৭০ সংখ্যক মহা পৰিনিৰ্বাণ দিৱস উপলক্ষে সংবিধান প্ৰণেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ***আৰু***

৫। দক্ষিণ আফ্ৰিকাই বিশাখাপট্টনমত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে ২৭১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

ভাৰত, জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সীমান্তৰে চলোৱা সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদক দ্বৈৰ্থহীনভাৱে গৰিহণা দিছে আৰু লালকিল্লাৰ সন্মুখত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। যোৱা বৃহস্পতিবাৰ আৰু শুকুৰবাৰে নতুন দিল্লীত ভাৰত, জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ সন্ত্ৰাসবাদ বিৰোধী কাৰ্যগোটৰ বৈঠকত ৰাষ্ট্ৰকেইখনে সন্ত্ৰাসবাদক গৰিহণা দিয়ে। বৈঠকত কোৱাড ৰাষ্ট্ৰসমূহে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শেহতীয়া ঘটনাক্ৰমৰ লগতে সন্ত্ৰাসবাদৰ ভাবুকি বিষয়ক মূল্যায়ণৰ আদান-প্ৰদান কৰে। তেওঁলোকে লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলক সন্ত্ৰাসবাদৰ ভাবুকিৰ পৰা মুক্ত কৰি ৰখাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা সুদৃঢ় কৰাৰ প্ৰতিও প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে।

০০০০

চৰকাৰে দুগ্ধ উৎপাদন খণ্ডত বৃত্তাকাৰ অৰ্থনীতিৰ আৰ্হি ৰূপায়ণ কৰি অহা পাঁচ বছৰত পশুপালকসকলৰ আয় ২০ শতাংশ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গুজৰাটৰ ছনাদৰত আজি বনাছ ডেইৰীৰ বায়' চি এন জি আৰু সাৰ প্ৰকল্পৰ উদ্বোধন আৰু অত্যাধুনিক ১৫০ টি ডি পি পাউডাৰ গাখীৰ তথা শিশু আহাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয় এইদৰে প্ৰকাশ কৰে। বনাছ ডেইৰীয়ে প্ৰত্যাখাৰ অৰ্থনীতি সফলভাৱে ৰূপায়ণ কৰা বুল উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে চৰকাৰে সমগ্ৰ দেশৰ ডেইৰী প্ৰতিষ্ঠানসমূহত এই আৰ্হি প্ৰয়োগ কৰাৰ বাবে কাম কৰি আছে। ৰাষ্ট্ৰীয় গোকুল অভিযান পশু পালন আন্তঃগাঁথনি ৰাষ্ট্ৰীয় জীৱ-জন্তুৰ ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী আৰু দুগ্ধ উৎপাদন খণ্ডত উন্নয়নত গুৰুত্ব আৰোপ কৰি দ্বিতীয় শ্বেত বিপ্লৱৰ সফলতা নিশ্চিত কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে ইণ্ডিগো’ বিমান সংস্থাক তৎকালীনভাৱে যাত্ৰীসকলৰ বকেয়া ধন উভতাই দিবলৈ নিৰ্দেশ দিছে। কাইলৈ নিশা ৮ বজাৰ ভিতৰত ধন ঘুৰাই দিয়া প্ৰক্ৰিয়া বাধ্যতামূলকভাৱে সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰালয়ে সংস্থাটোক নিৰ্দেশ দিছে। লগতে যাত্ৰা বাতিল হোৱাৰ ফলত যিসকল যাত্ৰীয়ে সময়ৰ সালসলনি কৰিছিল তেনে যাত্ৰীৰ পৰা অতিৰিক্ত কোনো মাচুল আৰোপ নকৰিবলৈও মন্ত্ৰালয়ৰ ফালৰ পৰা কোৱা হৈছে। এই প্ৰক্ৰিয়াত পলম কৰিলে ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলিও মন্ত্ৰালয়ে সকীয়াই দিছে। উল্লেখযোগ্য যে এই ধন উভতাই দিয়া প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মন্ত্ৰালয়ে ইণ্ডিগোক যাত্ৰী সমৰ্থন আৰু ৰিফাণ্ড সুবিধা কোষ স্থাপন কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল।

যাত্ৰাৰ বাতিল বা বিলম্বৰ বাবে পৃথক হোৱা যাত্ৰীসকলৰ সা-সামগ্ৰীসমূহ পৰৱৰ্তী ৪৮ ঘন্টাৰ ভিতৰত যাত্ৰীসকলে নিৰ্ধাৰণ কৰি দিয়া ঠিকনালৈ প্ৰেৰণ কৰিবলৈ মন্ত্ৰালয়ে নিৰ্দেশ দিয়াৰ লগতে বিমানসেৱাসমূহক ট্ৰেকিং আৰু ডেলিভাৰী প্ৰক্ৰিয়া সন্দৰ্ভত যাত্ৰীসকলৰ সৈতে যোগাযোগ ৰাখিবলৈ আৰু যাত্ৰী অধিকাৰ আইনৰ অধীনত ক্ষতিপূৰণ দিবলৈও কোৱা হৈছে। এই ব্যাঘাতৰ সময়ছোৱাত চৰকাৰে যাত্ৰীৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ বিমান পৰিবহণ সংস্থা, বিমানবন্দৰ, নিৰাপত্তা সংস্থা আৰু সকলো অংশীদাৰৰ সৈতে সমন্বয় বৰ্তাই ৰাখিছে আৰু জ্যেষ্ঠ নাগৰিক, বিশেষভাৱে সক্ষম যাত্ৰী, শিক্ষাৰ্থী, ৰোগী আৰু জৰুৰীকালীনভাৱে ভ্ৰমণ কৰা সকলোৰে  সুবিধা নিশ্চিত কৰিবলৈ নিৰীক্ষণ প্ৰণালী শক্তিশালী কৰা হৈছে। মন্ত্ৰালয়ে কৈছে যে অতিশীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ তেওঁলোকে সমগ্ৰ প্ৰক্ৰিয়াটো নিৰীক্ষণ কৰি আছে।

০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰ্যালয়ে আয়োজন কৰা একাদশ ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ আই আই এছ এফ আজিৰে পৰা হাৰিয়ানাৰ পঞ্চকুলাৰ দছেৰা মৈদানত অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি আনুষ্ঠানিকভাৱে এই মহোৎসৱ মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লাই শিক্ষাৰ্থী আৰু যুৱ বিজ্ঞানীসকলৰ সৈতে তেওঁৰ অভিজ্ঞতা ভগাই লয়। মহাকাশচাৰী কেইগৰাকীয়ে কয়, যে দেশত বিজ্ঞান খণ্ডৰ যথেষ্ট প্ৰগতি হৈছে। তেওঁ লগতে ভাৰতীয় মহাকাশ খণ্ড সম্পৰ্কে মত প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু ৰাছিয়াই ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ১০ হাজাৰ কোটি মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নতুন দিল্লীত কালি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে ভাৰত-ৰাছিয়া ব্যৱসায়ী মঞ্চৰ বৈঠকত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দুয়োপক্ষৰ প্ৰৱল সম্ভাৱনাই নিৰ্ধাৰিত সময়ৰ পূৰ্বেই যে দ্বিপাক্ষিক বাণিজ্যৰ লক্ষ্যত উপনীত হ’ব পৰা যাব তাকেই সূচাইছে। তেওঁ কয় যে ব্যৱসায়ৰ বাবে সৰল আৰু সহজে অনুমেয় ব্যৱস্থা গঢ়ি তোলা হৈছে। ভাৰত আৰু ইউৰেছিয় অৰ্থনৈতিক সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা আৰম্ভ হোৱা বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ব্যৱসায়েই হওক বা কূটনীতিয়েই হওক যিকোনো  সহযোগিতাৰ মূল ভেটি হৈছে আস্থা। তেওঁ লগতে ভাৰত-ৰাছিয়াৰ মাজৰ সম্পৰ্কৰ মূল শক্তি আস্থা বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই আস্থাই যুটিয়া প্ৰচেষ্টাসমূহক গতি প্ৰদান কৰি আহিছে আৰু নতুন সপোন তথা আশা-আকাংক্ষাৰ ভেটিৰূপে কাম কৰি আহিছে।

ভাৰত আৰু ৰাছিয়াই নিৰ্ধাৰিত সময়ৰ পূৰ্বে দ্বিপাক্ষিক বাণিজ্যৰ লক্ষ্যত উপনীত হোৱাৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে মোদীয়ে কয়, যে এই ক্ষেত্ৰৰ সফলতাক লৈ তেওঁৰ আত্মবিশ্বাস দিনক দিনে বৃদ্ধি পাইছে। শুল্ক আৰু অনাশুল্ক বাধা হ্ৰাস কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়েআগশাৰীৰ ব্যৱসায়ীসকল এই প্ৰচেষ্টাৰ মূল শক্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰত আৰু ৰাছিয়া সম্প্ৰতি উদ্ভাৱন, সহউৎপাদক আৰু সহসৃজনৰ নতুন যাত্ৰাৰ ব্ৰতী হৈছে। ভাৰত গোলকীয় প্ৰত্যাহ্বানৰ স্থায়ী সমাধান সুত্ৰ উলিওৱাৰ বাবে ৰাছিয়াৰ সৈতে কান্ধত কান্ধ মিলাই কাম কৰিবলৈ সাজু বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰত সম্প্ৰতি বিশ্বৰ দক্ষতাৰ ৰাজধানীৰূপে পৰিগণিত হৈছে আৰু ভাৰতৰ যুৱ প্ৰজন্মৰ গোলকীয় আৱশ্যকতা পূৰণৰ পূৰ্ণ সম্ভাৱনা আছে।

০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৩ লাখৰো অধিক গণনাপত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। বিতৰণ কৰা প্ৰপত্ৰৰ সংখ্যা এই পৰ্যায়ত সামৰি ল'বলগীয়া ৫১ কোটি ভোটদাতাৰ প্ৰায় ৯৯ দশমিক ৯-৩ শতাংশ। আয়োগে প্ৰকাশ কৰা মতে বৰ্তমানলৈকে প্ৰায় ৪৯ কোটি প্ৰপত্ৰৰ ডিজিটেল ৰূপ প্ৰদানৰ কাম সম্পূৰ্ণ হৈছে। দেশৰ ৯খন ৰাজ্য আৰু তিনিটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৪ নৱেম্বৰত দ্বিতীয় পৰ্যায় ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল। ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে সাপ্তাহিক আয়ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা বিনিয়োগ মঞ্চত প্ৰচাৰ চলোৱা বুলি সামাজিক মাধ্যমত প্ৰচাৰিত এটা ভিডিঅ' চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰ'ৰ তথ্য পৰীক্ষা গোটে ভিডিঅ'টো ডিজিটেল ব্যৱস্থাৰে প্ৰস্তুত কৰা বুলি আৰু চৰকাৰে এনে কোনো আঁচনিৰ প্ৰতি সমৰ্থন জনোৱা নাই বুলি স্পষ্ট কৰি দিছে। প্ৰেছ ইনফৰমেছন ব্যুৰ'ই জনসাধাৰণক প্ৰলোভিত কৰাৰ বাবে প্ৰচাৰ কৰা এনে ধৰণৰ বিভ্ৰান্তিকৰ বিনিয়োগ কেলেংকাৰীৰ বিষয়ে সজাগ হৈ থাকিবলৈ নাগৰিকসকলক আহ্বান জনাইছে।

০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ ৭০ সংখ্যক মহা পৰিনিৰ্বাণ দিৱস বা মৃত্যু বাৰ্ষিকী উপলক্ষে সংবিধান প্ৰণেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে ৰাষ্ট্ৰ গঠনত আম্বেদকাৰৰ অভূতপূৰ্ব বৰঙণিৰ বিষয়ে আলোকপাত কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু অন্য বিশিষ্ট ব্যক্তিসকলে মহাপৰিনিৰ্বাণ দিৱস উপলক্ষে আজি সংসদ ভৱন চৌহদত সংবিধান প্ৰণেতাগৰাকীলৈ পুস্পাৰ্ঘ্য নিবেদন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে বাবাচাহেব আম্বেদকাৰৰ ভৱিষ্যদৰ্শী নেতৃত্ব আৰু ন্যায়, সমতা তথা সাংবিধানিক প্ৰমূল্যৰাজিৰ প্ৰতি তেওঁৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতাই দেশৰ যাত্ৰাত আজিও গুৰি ধৰি আহিছে। আম্বেদকাৰে ভৱিষ্যৎ প্ৰজন্মক মানবীয় মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ আৰু গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় কৰিবলৈ অনুপ্ৰেৰণা যোগায় যাব বুলি তেওঁ মন্তব্য কৰে।

০০০০

দক্ষিণ আফ্ৰিকাই বিশাখাপট্টনমত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে ২৭১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৭০ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ কুইণ্টন ডিককে সৰ্বাধিক ১০৬ ৰান কৰে। টেম্বা বাবুমাই ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ কুলদীপ যাদৱ আৰু প্ৰসিদ্ধ কৃষ্ণাই ৪টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৯০ ৰাণ সংগ্ৰহ কৰিছে। দুয়োটা দলে ইতিমধ্যে শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ